# স্নেহ দেৱী





জন্ম ঃ আগষ্ট, ১৯১৬ মৃত্যু ঃ ০৫-১০-১৯৯০

পৰিশিষ্ট-খ



স্নেহ দেৱীক সম্বৰ্ধনা (সদৌ অসম যোৰহাট লেখিকা সমাৰোহ)

## পৰিশিষ্ট-গ



স্নেহ দেৱীৰ হৈ তেওঁৰ পুত্ৰ পুলিন বৰুৱাই সাহিত্য অকাডেমী বঁটা গ্ৰহণ কৰা দৃশ্য



ভাষণৰত অৱস্থাত স্নেহ দেৱী (সদৌ অসম লেখিকা সমাৰোহৰ যোৰহাট অধিৱেশন)



স্নেহ দেৱীৰ বাসগৃহত গৱেষক



যোৰহাটৰ স্নেহ দেৱীৰ পৈতৃক বাসগৃহ



যোৰহাটৰ স্নেহ দেৱীৰ বাসগৃহ

**পৰিশিষ্ট-৬**

# অসম সাহিত্য সভা

## আৱাহন-পত্ৰ

**অসম সাহিত্য সভাৰ দ্বিপঞ্চাশৎ অধিবেশনৰ**
**প্ৰকাশন-উন্মোচিকা শ্ৰীমতী স্নেহ দেৱী শ্ৰদ্ধাভাজনীয়াসু**

আধুনিক অসমীয়া ভাষাৰ এগৰাকী সুপ্ৰতিষ্ঠিত কথাশিল্পী, নিৰলস সাহিত্য-সাধিকা আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীলা শ্ৰীমতী স্নেহ দেৱী ডাঙৰীয়ানী, অসম সাহিত্য সভাই সভাৰ দ্বিপঞ্চাশত্তম অধিবেশনৰ আৰম্ভণিতে সভাৰ প্ৰকাশনৰ শুভ-উন্মোচিকা স্বৰূপে আপোনাক আদৰণি জনাবলৈ পাই লাভ কৰিছে পৰম আনন্দ। আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি আপুনি আহি উপস্থিত হোৱাৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। আপোনাৰ কৰ-স্পৰ্শত সভাৰ প্ৰকাশন উন্মোচিত হওক। আপোনাৰ সুদীৰ্ঘ জীৱন আৰু সুন্দৰ স্বাস্থ্য কামনা কৰিলো।

**প্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য্য**
*প্ৰধান সম্পাদক*
অসম সাহিত্য সভা

*২১ ফেব্ৰুৱাৰী, ১৯৮৬*
*শিবিৰ ঃ মাধৱ কন্দলী ক্ষেত্ৰ, কামপুৰ*

পৰিশিষ্ট-চ

# প্ৰকাশন-উন্মোচিকাৰ ভাষণ

**অসম সাহিত্য সভাৰ দ্বিপঞ্চাশত্তম অধিবেশন**

*মাধৱ কন্দলী ক্ষেত্ৰ, কামপুৰ*

*২১ ফেব্ৰুৱাৰী, ১৯৮৬*

**অসম সাহিত্য সভাৰ শ্ৰদ্ধেয় সভাপতি ডাঙৰীয়া, সমবেত সাহিত্যানুৰাগীসকল, উপস্থিত বাই-ভনীসকল আৰু সমবেত সুধীবৃন্দ**

প্ৰথমেই মই ক'ব খোজোঁ যে, আজিৰ এই অসম সাহিত্য সভাৰ দ্বিপঞ্চাশত্তম্ অধিবেশনত প্ৰকাশন-উন্মোচনৰ উন্মোচিকাৰূপে আপোনালোকে মোক নিৰ্বাচিত কৰি যি সন্মান দেখুৱাইছে, তাৰ বাবে মই গৌৰৱান্বিত হৈছোঁ; কিন্তু লগে লগে মই এই সভাত উপস্থিত হৈ মই যে কিমান ক্ষুদ্ৰ সেই কথা ভালকৈ উপলব্ধি কৰি অতি সংকুচিত হৈ পৰিছোঁ; ভয়ো খাইছোঁ—কাৰণ মই হাজাৰ হাজাৰ সাধাৰণ তিৰোতাৰ মাজৰ এগৰাকী নিতান্ত সাধাৰণ তিৰোতা। মোৰ উচ্চ শিক্ষা নাই, এনেকি হাইস্কুলৰ শিক্ষাও মোৰ নাই। মোৰ কোনো ডিগ্ৰী নাই। এনে বিৰাট সভাত এই অগণন জনসমুদ্ৰৰ সন্মুখত থিয় হোৱাৰ অভিজ্ঞতাও মোৰ নাই। তথাপি আজি জীৱনৰ এই বিয়লি বেলাত অসম সাহিত্য সভাৰ কৰ্ম-কৰ্তাসকলৰ এৰাব নোৱৰা অনুৰোধত পৰি মোৰ অসুস্থ শৰীৰেৰে, চুকত থকা চুক ভেকুলী কেতিয়াবা বাহিৰলৈ ওলাই অহাৰ দৰেই মই ওলাই আহিছোঁ। আপোনালোকক বিশেষ কিবা ক'ব পৰা জ্ঞান মোৰ নাই। সেয়ে, মাত্ৰ নিজৰ কথাকে ক'ব লগা হৈছে।

অসম সাহিত্য সভাক মই পৰম শ্ৰদ্ধা কৰোঁ। সাহিত্যিকসকল মোৰ শ্ৰদ্ধেয়, মাননীয়। বয়সত মই আপোনালোক বহুততকৈ ডাঙৰ, কিন্তু জ্ঞান-বিদ্যাত তেনেই নিঃকিন। পূৰ্বতে কেতিয়াবা সাহিত্য সভাত যোগদান নকৰিলেও দূৰৰ পৰাই যিমানদূৰ পাৰোঁ সাহিত্য সভাৰ বাতৰি লওঁ—ল'বলৈ সদায় যত্নত থাকোঁ।

অসম সাহিত্য সভাৰ জৰিয়তে যি পুথিসমূহ প্ৰকাশ হৈ আহিছে, সেই পুথিসমূহ আমাৰ কাৰণে বৰ লাগতিয়াল। সাহিত্য সভাৰ পুথি প্ৰকাশনৰ কাৰ্য যাতে স্থবিৰ নহয়, তাকে সৰ্বান্তঃকৰণে কামনা

-২-

কৰিলো। লগতে আমাৰ পঢ়ুৱৈ সমাজে এনে পুথিৰ প্ৰতি যাতে আগ্ৰহ ৰাখে, সেয়ে বাঞ্ছনীয়। নানা ধৰণৰ পুথি সদায় প্ৰকাশ হৈ আছে আৰু পঢ়ুৱৈ সমাজে কিনি পঢ়ে। কিন্তু সকলোবিলাক পুথিয়েই উচ্চ মানদণ্ডৰ বা সকলো পুথিয়েই যে আমাক প্ৰেৰণা যোগাব পাৰে, সেইকথা ন-দি ক'ব পৰা নাযায় যেন লাগে। আনহাতে সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত পুথিসমূহৰ মূল্য যথেষ্ট। সেয়ে তেনে পুথিক আমি আদৰি ল'ব লাগে।

মনত পৰিছে, তাহানিৰ 'আৱাহন' যুগৰ কথা। আমাৰ সৰু কালতে প্ৰথম প্ৰকাশ হোৱা আলোচনী 'আৱাহনে' সকলোৰে পৰা প্ৰশংসা পাইছিল। বহুতো শিক্ষণীয় বিষয়, দেশ-বিদেশৰ খবৰ 'আৱাহন'ৰ পাততে আমি পাইছিলো। তাৰপাছত আহিল 'ৰামধেনু' যুগ। 'ৰামধেনু'ৱেও আমাক প্ৰেৰণা যোগাইছিল, সকলোৰে পৰা মৰম পাইছিল। 'ৰামধেনু'খন ঘৰলৈ আহিলে থপিয়াথপি লাগিছিল। সেই 'ৰামধেনু'ও আজি নাই। অৱশ্যে 'আৱাহন' বা 'ৰামধেনু'ৰ নিচিনা নহ'লেও আজিকালি কেইবাখনো ভাল আলোচনী ওলাইছে। পঢ়ুৱৈ সমাজৰ আদৰো পাইছে। তাৰ মাজতে পষেকীয়া 'প্ৰান্তিক'খন এখন বাছকবনীয়া আলোচনী হৈছে বুলি বহুতে মত প্ৰকাশ কৰা শুনো। এসময়ৰ 'প্ৰহৰী', 'মণিদীপ', 'অসমীয়া', 'সংজ্ঞা' আদি কেইবাখনো ভাল আলোচনী অকালতে মৰি যোৱাটো দুখৰ কথা।

লগতে মোৰ এইটো কথাও মনত পৰিছে যে, আমি সৰুতে পাঠ্যপুথিৰ বাহিৰে আন পুথি পঢ়িবলৈ নাপাইছিলো। অভিভাৱকসকলেও সেইটো পছন্দ নকৰিছিল। আমাৰ দিনত ল'ৰা-ছোৱালীৰ বাবে দুই-এখন আলোচনী ওলাইছিল যদিও সৰহদিন জীয়াই নাছিল। আজিকালি কিন্তু শিশু-আলোচনী কেইবাখনো ওলাইছে। এইটো এটা ভাল লক্ষণ বুলি ভাবোঁ।

মই প্ৰথমতেই কৈছোঁ, মই এগৰাকী নিতান্ত সাধাৰণ তিৰোতা। কিবা এটা বুজাব নোৱৰা অনুভূতিৰ দ্বাৰা পৰিচালিত হৈ মই সত্য ঘটনাৰ আলম লৈ চুটিগল্প লিখোঁ। কেনে হয় মই নিজে নাজানো। পঢ়ুৱৈ সমাজে স্বীকৃতি দি মোক বাধিত কৰিছে; আৰু সেই সাহতে আজি মই এই সভাৰ প্ৰকাশন-উন্মোচন কামফেৰা কৰিব পাৰিলো।

সমূহ ৰাইজলৈ মোৰ আন্তৰিক ওলগ জনালো।

স্নেহ দেৱী

**পৰিশিষ্ট-ছ**

# অসম সাহিত্য সভা

## সম্বৰ্ধনা-পত্ৰ

### শ্ৰীযুতা স্নেহ দেৱী কৰ-কমলেসু

গভীৰ মানৱতাবোধ আৰু সমাজ-চেতনাসম্পন্ন সংবেদনশীল হৃদয়ৰ কথাশিল্পী শ্ৰীযুতা স্নেহ দেৱী ডাঙৰীয়ানী, আপোনাৰ দৰে এগৰাকী বৰেণ্য সাহিত্যিকক অসম সাহিত্য সভাৰ চতুঃপঞ্চাশত্তম্ অধিবেশনত সম্বৰ্ধনা জনাবলৈ পাই আমি লাভ কৰিছোঁ পৰম গৌৰৱ আৰু আনন্দ।

অসমৰ এক প্ৰসিদ্ধ আৰু ঐতিহ্যসম্পন্ন বংশত জন্মগ্ৰহণ কৰি আপুনি জীৱনত সাহিত্য সেৱাকে ব্ৰত কৰি লৈ সাহিত্য-ক্ষেত্ৰৰ মাজত আপুনি আপোনাৰ আধ্যাত্মিক দিগন্ত বিস্তৃত কৰি ল'লে। ''কৃষ্ণ দ্বিতীয়াৰ জোনাক'' ''স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প''ৰ দৰে গ্ৰন্থ আৰু তিনিশৰো অধিক গল্প লেখি আপোনাৰ চৰ্চা আৰু অধ্যয়নৰ পৰিচয় বহন কৰিছে। প্ৰায় সত্তৰ পাৰ হ'লেও আপুনি চিৰ সতেজ, নিকা মন আৰু হৃদয়েৰে অনুজসকলৰ অনুপ্ৰেৰণাৰ উৎস হৈ আছে।

আপুনি সুন্দৰ স্বাস্থ্য আৰু সুদীৰ্ঘ জীৱনৰ অধিকাৰিণী হওক আৰু উত্তৰ-পুৰুষৰ বাবে চিৰ সেউজীয়া প্ৰতীক হৈ ৰওক।

ভৱদীয়—

অমলেন্দু গুহ (signature)

*প্ৰধান সম্পাদক, অসম সাহিত্য সভা*
*চন্দ্ৰকান্ত সন্দিকৈ ভৱন ঃ যোৰহাট*

*২৪ ফেব্ৰুৱাৰী, ১৯৮৮*
*শিবিৰ ঃ সাহিত্য তীৰ্থ ঃ হাইলাকান্দি*

**পৰিশিষ্ট-জ**

# অসম সাহিত্য সভা

## মান-পত্ৰ

### বাসন্তী বৰদলৈ সোঁৱৰণী বঁটা

অসম সাহিত্য সভাই ১৯৮২-৮৬ খ্ৰীষ্টীয় বছৰত অসমীয়া ভাষাত প্ৰকাশিত মৌলিক গ্ৰন্থৰ ভিতৰত "স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প" গ্ৰন্থক শ্ৰেষ্ঠ বিবেচনা কৰি উক্ত গ্ৰন্থৰ ৰচয়িতা শ্ৰীমতী স্নেহ দেৱীক বছৰৰ শ্ৰেষ্ঠ অসমীয়া মহিলা লেখিকা স্বৰূপে স্বীকৃতি দিয়ে আৰু এই মান-পত্ৰসহ প্ৰথমবাৰৰ বাবে "বাসন্তী বৰদলৈ সোঁৱৰণী বঁটা" প্ৰদান কৰিছে।

ভৱদীয়—

*প্ৰধান সম্পাদক, অসম সাহিত্য সভা*
*চন্দ্ৰকান্ত সন্দিকৈ ভৱন ঃ যোৰহাট*

*২৪ ফেব্ৰুৱাৰী, ১৯৮৮*
*শিবিৰ ঃ সাহিত্য তীৰ্থ ঃ হাইলাকান্দি*

পৰিশিষ্ট-ঝ

# অসমৰ প্ৰথিতযশা কথা-সাহিত্যিকা, কবি, শিশু-সাহিত্যিকা আৰু নাট্যপ্ৰণেত্ৰী শ্ৰীমতী স্নেহ দেৱীলৈ বাণী প্ৰকাশৰ সশ্ৰদ্ধ অভিনন্দন

হে বিদুষী,

প্ৰদীপ্ত ভাস্কৰক যিদৰে মেঘচ্ছায়াই আবৰি ৰাখিব নোৱাৰে, প্ৰজ্বলিত বহ্নিক যিদৰে ভস্মই ঢাকি ৰাখিব নোৱাৰে তদ্ৰূপ প্ৰতিভাকো প্ৰতিকূল পৰিৱেশে প্ৰতিহত কৰিব নোৱাৰে—যদিহে প্ৰতিভা প্ৰকাশ-আকাংক্ষাৰ শতদল মন-সৰসীত কুসুমিত হৈ থাকে। প্ৰতিকুল পৰিৱেশক জয় কৰি নৱ নৱ উন্মেষশালিনী প্ৰতিভাক বাঙ্ময়ৰূপ দিবলৈ সক্ষম হোৱা মনীষীসৱৰ মাজত আপুনি নিঃসন্দেহে অন্যতম। মাত্ৰ পঞ্চমমান শ্ৰেণীলৈ পঢ়ি নিজৰ অবিৰত সাধনা, দৈবী প্ৰেৰণা আৰু অধ্যৱসায়ৰ পৰাকাষ্ঠাত পঞ্চশতাধিক সমাজ-সচেতন তথা গভীৰ মানৱতাবোধ-বিশিষ্ট গল্প সৃষ্টিৰ সংযোগত আপুনি নিজকে বিশিষ্টা কথা-সাহিত্যিকা ৰূপে প্ৰতিষ্ঠা কৰি সৰ্বভাৰতীয় খ্যাতি আৰু গৌৰৱ অৰ্জন কৰাৰ যোগ্যতা লাভ কৰিছে। আপোনাৰ বিৰল প্ৰতিভা আৰু কালজয়ী গৌৰৱ-গৰিমাৰ দ্বাৰা আমিও গৌৰৱান্বিত।

আপোনাৰ অভিনৱ সৃষ্টিয়ে জীৱন-সমাজ-দেশক নৱ নৱ মূল্যায়নৰ প্ৰতি সজাগ-সচেতন কৰি তোলক। সত্য-শিৱ-সুন্দৰৰ ওচৰত এয়ে আমাৰ বিনীত প্ৰাৰ্থনা। ইতি—

ভৱদীয়—

*বাণী প্ৰকাশৰ হৈ*

অম্বিকাপদ চৌধুৰী

*গুৱাহাটী ১৭/৭/৮৮*

**পৰিশিষ্ট-ঞ**

# সম্বৰ্ধনা

## অসম সাহিত্য সভা

## গোলাঘাট শাখা

প্ৰতি,

শ্ৰীযুতা স্নেহ দেৱী,

যোৰহাট, অসম

শ্ৰদ্ধেয়াসু,

আমাৰ সশ্ৰদ্ধ প্ৰণাম গ্ৰহণ কৰক। অসমীয় সাহিত্যৰ এগৰাকী সুপ্ৰতিষ্ঠিত চুটিগল্প লিখিকা হিচাপে আপুনি সৰ্বজন সমাদৃত।

আপোনাক সম্বৰ্ধনা জনাবলৈ পাই আমি গৌৰৱ অনুভৱ কৰিছোঁ। পৰমেশ্বৰে আপোনাক সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন প্ৰদান কৰক। ইতি—

বিনীত—

গোলাঘাট জিলা সাহিত্য সভাৰ সমূহ সদস্যৰ হৈ

শ্ৰীমাখন প্ৰসাদ দুৱৰা, সভাপতি

ডাঃ অজিত বৰুৱা, সম্পাদক

অসম সাহিত্য সভা, গোলাঘাট

তাং—৮/১/৯০

সোমবাৰ

পৰিশিষ্ট-ট



**असमिया की पुरस्कृत कृति**
**स्नेह देवीर एकुंकि गल्प**
**(स्व.) स्नेह देवी (जन्म 1916, निधन 1990)**

**Award in Assamese to**
**Sneha Devir Ekunki Galpa**
**by (late) Sneha Devi**
**(b. 1916, d. 1990**

श्रीमती स्नेह देवी का जन्म असम के जोरहाट नगर में हुआ। यहीं उन्होंने पाँचवी कक्षा तक की प्रारम्भिक शिक्षा प्राप्त की। जब वे तेरह वर्ष की थीं, तभी उनका विवाह हो गया। अपनी घरेलू जिम्मेदारियों और औपचारिक शिक्षा के अवसर न मिल पाने के बावजूद वे असमिया साहित्य में एक अद्वितीय स्थान प्राप्त करने में सफल हुईं।

1958 में श्रीमती स्नेह देवी का प्रथम कहानी-संग्रह प्रकाशित हुआ। उसके बाद उनके तीन और कहानी-संग्रह प्रकाशित हुए। उन्होंने विभिन्न पत्रिकाओं और संग्रहों में साढ़े चार सौ से भी अधिक कहानियाँ लिखीं। उनके पाँच रेडियो-नाटक भी प्रकाशित हैं। साहित्य को उनके योगदान के लिए असम सरकार ने उन्हें 1987 में सम्मानित किया। अपने कहानी-संग्रह *स्नेह देवीर श्रेष्ठ गल्प* के लिए वे असम साहित्य सभा द्वारा 1987-88 के बासंती देवी स्मृति पुरस्कार से सम्मानित की गयीं।

पुरस्कृत कृति *स्नेह देवीर एकुंकि गल्प* बारह कहानियों का संग्रह है, जो अपनी सूक्ष्म संवेदना और घरेलू ज़िन्दगी की सहज अनुभूति के लिए उल्लेखनीय है। महिलाओं के लिए उनकी सहानुभूति और नारी-हित के साथ उनका जुड़ाव, उनके उस व्यापक मानवतावाद को आच्छन्न नहीं करता जो उनके कथा-साहित्य में परिव्याप्त है और भाषा की अर्थच्छटाओं से पूर्णतः उभरता है। नारी की अनुभूतियों की सूक्ष्म अन्तर्दृष्टि, अभिव्यक्ति की सुकुमारता और अपनी हार्दिक संवेदना के लिए यह कृति असमिया में लिखित भारतीय साहित्य को महत्त्वपूर्ण योगदान मानी गयी है।

Smt. Sneha Devi was born in Jorhat, Assam, where she was educated up to class V and married when she was thirteen. In spite of her domestic responsibilities and want of opportunities for formal education, she managed to carve for herself a unique niche in Assamese literature.

Her first collection of short stories was published in 1958, and three more have appeared since. She contributed over 450 short stories to various magazines and anthologies and wrote five radio plays. She was honoured by the Assam Government in 1987 for her contribution to literature and received the Basanti Devi Memorial Award for 1987-88 from the Asom Sahitya Sabha for her collection of short stories, *Sneha Devir Shreshtha Galpa.*

*Sneha Devir Ekunki Galpa* which wins this year's Sahitya Akademi Award for Assamese is a collection of twelve short stories remarkable for their keen sensitivity and intuitive understanding of domestic life. Her sympathy with the cause of women does not obscure the larger humanistic concern embedded in her stories and so finely brought out by the subtle nuances of her language. For its rich insight into women's experience, its warm compassion and its delicacy of expression this book is regarded as an outstanding contribution to Indian literature in Assamese.